## মুনীন বৰকটকী

# ৰচনাৱলী

পাতনি ঃ ড° হীৰেন গোহাঁই



অসম প্ৰকাশন পৰিষদ

# মুনীন বৰকটকী ৰচনাৱলী

পাতনি
ড° হীৰেন গোহাঁই

অসম প্ৰকাশন পৰিষদ
গুৱাহাটী - ৭৮১ ০২১

**MUNIN BORKOTOKI RASANAWALI :** The works of **Munin Borkotoki**, preface by **Dr. Hiren Gohain** and published by **Hemanga Kishore Sharma IAS**, Secretary, Publication Board Assam, Guwahati 781 021, Assam, India.
**First edition : December 2014** **Price : Rs. 500.00**

© অসম প্ৰকাশন পৰিষদ

অসম প্ৰকাশন পৰিষদৰ আগতীয়া লিখিত অনুমতি অবিহনে এই গ্ৰন্থ বা ইয়াৰ কোনো অংশ ফটোকপি, ৰেকৰ্ডিং আদিৰ দৰে কোনো ইলেক্ট্ৰনিক বা যান্ত্ৰিক উপায়েৰে, অথবা কোনো তথ্যৰ সংগ্ৰহ-পুনৰ ব্যৱহাৰ প্ৰণালীৰে পুনৰ প্ৰকাশ কৰিব নোৱাৰিব বা আন কোনো ৰূপতে ব্যৱহাৰ কৰিব নোৱাৰিব।

No part or whole of this publication may be reproduced or utilized in any form or by any means, electronic or mechanical, including photo-copying, recording or by any information storage and retrieval system, without the prior permission in writing from Publication Board Assam.

প্ৰকাশক

হেমাঙ্গ কিশোৰ শৰ্মা, আই এ এছ

সচিব

অসম প্ৰকাশন পৰিষদ

গুৱাহাটী ৭৮১০২১

**ISBN :** 978-93-84733-17-9

প্ৰথম সংস্কৰণ ঃ ডিচেম্বৰ ২০১৪

প্ৰচ্ছদ শিল্পী ঃ হৰকুমাৰ ডেকা

মূল্য ঃ ৫০০.০০ টকা

মুদ্ৰক ঃ বাণী প্ৰকাশ মন্দিৰ, গুৱাহাটী

# প্ৰকাশকৰ টোকা

১৯৫৮ চনত জন্মগ্ৰহণ কৰা অসম প্ৰকাশন পৰিষদে ইতিমধ্যে এটি সোণালী যুগৰ সূচনা কৰিলে। বিগত বৰ্ষসমূহত পৰিষদে ন-পুৰণি দুষ্প্ৰাপ্য গ্ৰন্থ প্ৰকাশ কৰি গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত এক নতুন মাত্ৰা প্ৰদান কৰাৰ লগতে সাহিত্য জগতলৈ প্ৰভূত বৰঙণি আগবঢ়াবলৈ সক্ষম হৈছে। পৰিষদে এই সময়ছোৱাত বহুতো উল্লেখনীয় গ্ৰন্থ প্ৰকাশেৰে পঢ়ুৱৈ সমাজক বিভিন্ন বিষয়ৰ জ্ঞান অৰ্জন কৰাত বিশেষভাৱে সহায় কৰিছে।

বিংশ শতিকাৰ চল্লিশৰ দশকৰ পৰা সমালোচনা সাহিত্যৰ লক্ষণীয় পৰিৱৰ্তন অনাসকলৰ অন্যতম আছিল মুনীন বৰকটকী। তেওঁ অসমীয়া জাতীয় জীৱনক বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠা কৰাত মুখ্য ভূমিকা লোৱাসকলৰ জীৱনী লেখি সমাদৃত হৈছিল। সেই সময়ছোৱাত সমালোচনাত্মক সাংবাদিকতাৰ পথিকৃত আছিল বৰকটকী। তেওঁৰ ৰচনাৱলী প্ৰকাশ কৰিবলৈ পাই প্ৰকাশন পৰিষদে গৌৰাৱান্বিত বোধ কৰিছে।

গ্ৰন্থখন অসমীয়া ভাষা-সাহিত্যৰ এক মূল্যবান সংযোজন হ'ব বুলি আশা ৰাখিছো।

গুৱাহাটী
ডিচেম্বৰ ২০১৪

**হেমাঙ্গ কিশোৰ শৰ্মা**
সচিব
অসম প্ৰকাশন পৰিষদ

# পাতনি

## প্ৰজ্ঞাৰ সাধক
## মুনীন বৰকটকী

"মানুহৰ অক্ষম বাস্তৱতাক মই অস্বীকাৰ নকৰোঁ, কিন্তু মোৰ বাবে মানুহৰ আটাইতকৈ ডাঙৰ কথা হ'ল— মানুহে নিজক অতিক্ৰম কৰি যাব পাৰে— *man can transcend himself*। নিজেও শ্ৰেয়ৰ কাৰণে সাধনা কৰিম, আনকো নিজৰ পটন্তৰ আৰু সাহিত্যৰ মাধ্যমেৰে মহত্তৰ জীৱনৰ বাবে উদ্বুদ্ধ কৰিম— মোটামুটিকৈ এয়ে মোৰ জীৱনদৰ্শন।"

(*প্ৰকাশ*, অক্টোবৰ, ১৯৮৫)

তেওঁৰ জীৱনকালত তেখেতে সেই স্বীকৃতি নাপালেও আজি এই কথা পৰিষ্কাৰ হৈ পৰিছে যে মুনীন বৰকটকী আছিল বিংশ শতাব্দীৰ অসমৰ এগৰাকী মানৱতাবাদী মনীষী। বেজবৰুৱাৰ পৰা বাণী কাকতিলৈকে আমাৰ সাহিত্যৰ অগ্ৰনায়কসকলৰ মানৱতাবাদ আধাৰ আছিল এক আধ্যাত্মিক উপলব্ধি আৰু ভৰসা। কিন্তু মুনীন বৰকটকী সেই ধৰণৰ ধৰ্মীয় বিশ্বাসৰ পৰা কিছু দূৰত অৱস্থান লোৱা, স্বনিৰ্ভৰ মানৱাত্মাৰ প্ৰতি আস্থা ৰখা চিন্তাবিদ। সেই দৃষ্টিভংগীৰ পৰাই তেখেতে সমাজ আৰু সাহিত্য অৱলোকন কৰিছিল। সকলো পৰাজয়, আশা ভংগ, ব্যৰ্থতাৰ পিছতো মানুহ কেৱল জন্তুৰ দৰে জীয়াই নাথাকে; নিজৰ এক মহত্তৰ উত্তৰণৰ প্ৰতি নিজকে উৎসৰ্গ কৰিব পাৰে। এয়েই বৰকটকীৰ মতে মনুষ্যত্বৰ সাৰ্থক স্বৰূপ।

অসমীয়া মানুহৰ সাধনাতো— তেওঁলোকৰ নানা লক্ষ্য, আদৰ্শ, অন্বেষণৰ মাজত— তেওঁ মনেপ্ৰাণে বিচাৰিছিল সেই মনুষ্যত্বৰ চিনাকি। ওৰে জীৱন অবিচল ধৈৰ্য্য আৰু সন্ধানী দৃষ্টিৰে তেওঁ যেন তাকেই বিচাৰিছিল। আমাৰ কৰ্মজীৱন, ভাবজীৱন, আদৰ্শজীৱনত তেওঁ তাৰ প্ৰকাশ নিৰিখি চাইছিল এক বস্তুনিষ্ঠ কিন্তু সংবেদনশীল মনোভাবেৰে। সেইটোৱেই আছিল তেওঁৰ প্ৰজ্ঞাৰ সাধনা। মনুষ্যত্বৰ আধাৰ মানুহৰ সৃষ্টিশীলতা আৰু এই সৃষ্টিশীলতাৰ আৱিষ্কাৰ আৰু উপলব্ধিয়েই মানুহৰ বাবে প্ৰজ্ঞাৰ অন্তিম পৰিচয়। এই দৃষ্টিভংগীৰে চালেই মুনীন বৰকটকীৰ জীৱনজোৰা অন্বেষণৰ স্বৰূপ আমাৰ দৃষ্টিগোচৰ হয়।

সেয়ে তেওঁ উনবিংশ শতাব্দীৰ অন্যতম অগ্ৰণী মানৱতাবাদী মেথ্যু আৰ্নল্ডৰ দৰে "অসমীয়া"ৰ নামত নানাধৰণৰ সংকীৰ্ণতাৰ প্ৰচলনৰ প্ৰতি বিৰাগ অনুভৱ কৰিছিল। তেওঁ ভাবিছিল অন্ধ, সংকীৰ্ণ জাতীয়তাবাদৰ পৰা অসমীয়াৰ মনুষ্যত্ব কোনোমতেই হ'ব নোৱাৰে। অসমীয়াই বিভিন্ন ক্ষেত্ৰত বিশ্বৰ মানদণ্ডৰ জোখেৰে উত্তীৰ্ণ হোৱা কৃতিত্ব আৰু সিদ্ধি অৰ্জন কৰক— তেতিয়া অসমীয়া জাতি নিজে নিজেই মহত্ত্বৰ শিখৰৰ পিনে আগুৱান হ'ব। তাৰ অৰ্থ বিশ্বৰ দ্বাৰা বাহ্যিক স্বীকৃতি লাভ কৰা নহয়। বৰকটকীয়ে আধুনিক অসমীয়া চুটিগল্পৰ উৎকৰ্ষৰ শলাগ লোৱাৰ সময়ত আমাৰ গল্পকাৰসকল বিশ্ব নালাগে ভাৰততে জনাজাত হোৱা নাছিল। কিন্তু বিশ্বৰ মানদণ্ড অধ্যয়নেৰে আয়ত্ত কৰা বৰকটকীয়ে তেওঁলোকক

বিশ্বৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা যেন পাইছিল। আনহাতে তেওঁ বেছিভাগ অসমীয়াকে "এই দেশ, এই কালৰ সৈতে জৈৱ সম্পৰ্কহীন" এটা পৰিস্থিতিত পাকঘূৰণি খাই ফুৰা যেন পাইছিল, যাৰ পৰিণাম আছিল "শংকৰী ঐতিহ্য আৰু আমাৰ ভাষিক বিশুদ্ধতা আৰু স্বকীয়তাৰ পৌনঃপুনিক ৰোমন্থন।" (১৯৭৪ চনত অসম সাহিত্য সভাৰ মঙ্গলদই অধিবেশনৰ আলোচনাচক্ৰৰ সভাপতিৰূপে দিয়া ভাষণ।)

মনুষ্যত্বৰ সাধনাৰ বাবে বিশ্বমানৱৰ লগত যোগাযোগৰো প্ৰয়োজন। কলিকতাৰ বৌদ্ধিক আৰু সাংস্কৃতিক জীৱন উৎকৰ্ষৰ শিখৰত থকা কালতে তাত বিশ্ববিদ্যালয়ৰ ইংৰাজী সাহিত্যৰ ছাত্ৰ হিছাপে বৰকটকীয়ে এই শিক্ষাকে হৃদয়ংগম কৰিছিল আৰু অসমৰ মানুহৰ মাজত সেই বোধ জাগ্ৰত কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। তেখেতৰ "কনফেছন্‌ছ্" আছিল সেই প্ৰয়াসৰে আগতীয়া পদক্ষেপ।

অসমীয়া সাহিত্যত ঐতিহ্যৰ প্ৰয়োজন বা স্থান নাই বুলি তেওঁ ক'তো চৰমপন্থী মত প্ৰকাশ কৰা নাই। কিন্তু তাত আধুনিক চেতনাৰ অভাৱহে তেওঁৰ বাবে উদ্বেগৰ বিষয়। ঐতিহ্য আৰু আধুনিকতাৰ পৰস্পৰৰ সম্পৰ্ক সম্বন্ধে পৰিণত বয়সতো তেখেতে মনোনিবেশ কৰিছিল, আৰু সেই অমীমাংসিত আলোচনাত এই সিদ্ধান্তত উপনীত হৈছিল যে আধুনিকতাও অৱশেষত ঐতিহ্যৰ নৱতম সংযোজন বুলি বিবেচিত হয়। অৰ্থাৎ ঐতিহ্যৰ দাবীৰ আগত আধুনিকতাৰ প্ৰয়োজন নস্যাৎ কৰাৰ প্ৰবৃত্তি তেওঁৰ নাছিল।

অৱশ্যে এই আধুনিকতা কিমান দূৰ আমাৰ নিজা সমাজ-সভ্যতাৰ বিৱৰ্তনৰ পৰ্যায়, কিমান দূৰ পাশ্চাত্যৰ প্ৰতিফলিত অৱস্থা, সেই আহুকলীয়া প্ৰশ্ন তেখেতৰ মনত উদয় হোৱা নাছিল। ঐতিহ্যৰ নামত এলেহুৱা আৱামেৰে অতীতৰ অন্ধগলিত ভ্ৰমি ফুৰাটো তেখেতৰ বাবে অসহ্য আছিল। এই আধুনিকতা বহু পৰিমাণে আমি পূৰ্বে উল্লেখ কৰা স্বনিৰ্ভৰ মানৱাত্মাৰ অৱদান। আৰু সেই কাৰণেই দেশ-বিদেশৰ সংস্কৃতিৰ নৱতম উদ্ভাৱন আৰু অৱদানৰ লগত অসমীয়া মানুহৰ পৰিচয় তেখেতৰ ইমান কাম্য আছিল। তেখেতৰ এই উদ্যোগৰ সতীৰ্থ আৰু কেবাগৰাকীও অসমীয়া আছিল, যেনে হেম বৰুৱা। কিন্তু তাত্ত্বিকভাৱে বৰকটকী আছিল সকলোতকৈ প্ৰাজ্ঞ আৰু চিন্তাশীল। উপৰুৱা, বাহ্যিক অনুকৰণৰ বিৰুদ্ধে সেয়ে তেওঁ অসমীয়া লেখক-শিল্পীক আৰু সমাজক স'ততে সঁকিয়াই আছিল।

অৱশ্যে পৰিণত বয়সত তেওঁ উপলব্ধি কৰিছিল যে এলিয়ট প্ৰমুখ্যে আধুনিক লেখকসকলৰ বাবে এই আধুনিকতা সমস্যাহীন নাছিল। তেওঁ আধুনিকতাৰ পৰ্যালোচনা কৰি পাইছিল যে "ইয়াৰ নিগূঢ় অন্তৰ্লোক বা মৰ্মমূলত আছে এক গভীৰ দ্বন্দ্ব আৰু উদ্বেগৰ অশান্তি আৰু যন্ত্ৰণা।" (মঙ্গলদই সাহিত্য সভাত দিয়া ভাষণ)

সেই অশান্তি আৰু যন্ত্ৰণা নিঃসন্দেহে বুৰ্জোৱা শ্ৰেণীৰ ঐতিহাসিক পৰিক্ৰমাৰ পৰা উদ্ভূত। সমসাময়িক এক শক্তিশালী ধাৰাই বিশ্বাস কৰিছিল যে এই স্তৰৰ শেষত যি উদ্বেগ আৰু যন্ত্ৰণাময় পৰ্যায়ত মানৱসভ্যতা উপনীত হৈছে তাৰ পৰা উত্তৰণ সম্ভৱ এক নৱোদিত শ্ৰেণীৰ নেতৃত্বত সমাজৰ ৰূপান্তৰৰ দ্বাৰা। এসময়ত— বিশেষকৈ ত্ৰিশ আৰু চল্লিছৰ দশকত— আন বহু মধ্যবিত্ত লেখক অথবা বুদ্ধিজীৱীৰ দৰে তেৰোঁ সেই ভাবধাৰাৰ প্ৰতি আকৃষ্ট হৈছিল। কিন্তু পৰৱৰ্তী কালত ধীৰে ধীৰে তেওঁৰ মোহভংগ হৈছিল আৰু সল্‌ঝেনিৎসিনৰ "গুলাগ আৰ্কিপেলে'গো"ৰ নিদাৰুণ মৰ্মভেদী বৃত্তান্তত তেওঁ যেন তাৰ পূৰ্ণতম সমৰ্থন বিচাৰি পাইছিল।

ছোভিয়েট ৰুছিয়াৰ প্ৰগতি আৰু প্ৰভাৱৰ অন্তৰালত আছিল "ষাঠি নিযুত" শ্ৰমশিবিৰত অন্তৰীণ আৰু কাৰাৰুদ্ধ কৰি ৰখা মানুহৰ ভয়াৱহ নৰক-যন্ত্ৰণা। সেই শ্ৰমশিবিৰবোৰৰ পাশৱিক নিষ্ঠুৰতা, অভাৱনীয় শাৰীৰিক আৰু মানসিক নিৰ্যাতন আৰু মনুষ্যত্বৰ চূড়ান্ত অৱমাননাৰ সন্মুখত ম্লান হৈ পৰিছিল "নতুন সভ্যতা"ৰ যতমানে দৃশ্যমান কীৰ্তি আৰু গঁৰিমা। সি যেন আছিল এক নতুন দাসপ্ৰথাৰ বিৰুদ্ধে সমগ্ৰ মানৱজাতিৰ হৈ সল্‌ঝেনিৎসিনৰ মুক্তিৰ আহ্বান। বৰকটকীৰ সমালোচনাত সল্‌ঝেনিৎসিনৰ প্ৰতি তেখেতৰ অনুৰাগ, শ্ৰদ্ধা আৰু সমৰ্থন পূৰ্ণমাত্ৰাত প্ৰকাশ পাইছে।

ছোভিয়েট ৰুছিয়াৰ শ্ৰমশিবিৰত যি ষাঠি নিযুত দুৰ্ভগীয়া আছিল বুলি সল্‌ঝেনিৎসিনে কৈছিল, শ্ৰমশিবিৰবোৰ

বিলোপ কৰি তেওঁলোকক মুকলি কৰি দিয়াৰ পিছতো ৰুছিয়াত লোকপিয়লত সেই সংখ্যাটো ধৰা নপৰিল বুলি নিৰ্ভৰযোগ্য সূত্ৰে জনা গৈছে। অৰ্থাৎ সেই ভয়াৱহ নৰকত নিৰ্বাসিত লোকৰ সংখ্যা ইমান নাছিল। সেই কথাটোৱে ছোৱিয়েট ৰুছিয়াৰ কলংক মোচন নিশ্চয় কৰিব নোৱাৰে। কিন্তু ছোৱিয়েট ৰুছিয়াৰ বিষয়ে বিচাৰ কৰোতে ইমান তীব্ৰ বিৰাগ আৰু বিতৃষ্ণা হয়তো বাঞ্ছনীয় নহয়। তাতকৈও গুৰুতৰ কথা এয়ে যে ছোৱিয়েট ৰুছিয়াৰ ব্যৱস্থাটোৰ আমি ভয়াৱহ বুলি ভাবো বা সহনীয় বুলি ভাবো, ব্যৱস্থাটো আপোনাআপুনি বিলুপ্তিৰ গৰ্ভলৈ সোমাই গৈছিল।

এই প্ৰসংগতে উল্লেখ কৰা ভাল হ'ব যে বৰকটকীয়ে দেখুৱাবলৈ পাহৰা নাই, সেই নৰকৰ মাজতো কিছুসংখ্যক বন্দীয়ে ত্যাগ, বন্ধুবৎসলতা, পৰহিতব্ৰত আৰু মানৱতাৰ অনুপম উদাহৰণ দাঙি ধৰিছিল। মানৱাত্মাৰ প্ৰতি বৰকটকীৰ অবিচল আস্থাৰ নিদৰ্শন তেখেতৰ এই মন্তব্য।

সাম্যবাদৰ প্ৰতি মোহভংগ আৰু তীব্ৰ বিৰাগ নিশ্চয় সম্প্ৰতি বিশ্বত প্ৰতিপত্তি কৰা উত্তৰআধুনিকতাবাদৰ পটভূমি। তাৰ ক্ৰমবৰ্ধমান পয়োভৰ বৰকটকীয়ে দেখি নগ'ল। তেখেতে high modernism বা আধুনিকতাবাদৰ প্ৰতিষ্ঠাকালৰ দৃষ্টিভংগীকে সাৰোগত কৰি থাকিল— য'ত বহু হতাশা আৰু ব্যৰ্থতাৰ মাজতো মানৱাত্মাৰ অন্তিম বিজয়ৰ প্ৰতি থাকে এক হাবিয়াস, অন্ততঃ এটি হুমুনিয়াহ।

অষ্টাদশ শতাব্দীৰ পৰা বিকাশ লাভ কৰি অহা (যদিও ইউৰোপীয় নৱজাগৰণৰ দিনতেই তাৰ ফেঁহুজালি হৈছিল) আধুনিক মানৱতাবাদী সংস্কৃতিৰ এক প্ৰধান উপকৰণ আছিল সাহিত্য। সাহিত্যক মানৱাত্মাৰ এক পূৰ্ণাংগ চিত্ৰপট বুলি ধৰা হৈছিল। সেইদৰে সাহিত্যৰ আলোচনাকো মানৱীয়তাৰ কেন্দ্ৰীয় চৰ্চা বুলিয়েই শিক্ষিত সমাজে ধৰি লৈছিল। মুনীন বৰকটকীৰ বাবেও সাহিত্য আছিল মানৱতাৰ কৰ্ষণক্ষেত্ৰ। তেখেতে দেশ-বিদেশৰ সাহিত্য আগ্ৰহেৰে আৰু বিস্তৃতভাৱে অধ্যয়ন কৰিছিল, বিশেষকৈ কুৰি শতিকাৰ সাহিত্য। Magic Realism ৰ ৰীতি অসমত জনাজাত হোৱাৰ বহুপূৰ্বে তেওঁ মাৰ্কেজৰ উপন্যাস পঢ়িছিল। জীৱনী, ইতিহাস আৰু বিৱৰণমূলক ৰাজনৈতিক ৰচনাও তেওঁৰ প্ৰিয় আছিল, সময়ে সময়ে সেইবোৰৰ বিষয়ে অসমীয়াত আলোচনাও কৰিছিল। কিন্তু তেওঁ মনোযোগেৰে আৰু বিশদভাৱে অধ্যয়ন আৰু আলোচনা কৰিছিল আধুনিক অসমীয়া সাহিত্য। সেই বিষয়ে তেখেতৰ মতামতৰ অন্তৰ্দৃষ্টি আৰু ওজন উলাই কৰিব নোৱাৰা ধৰণৰ। জয় জয়তে তেখেতৰ এটা আলোচনা এই সন্দৰ্ভত উল্লেখ কৰিব পাৰি। ১৯৮৬ চনৰ লেখিকা সংঘৰ (?) অতিথি হিছাপে দিয়া তেখেতে দিয়া এটা বক্তৃতাত অসমৰ লেখিকাসকলৰ সৃষ্টিকৰ্ম লেখকসকলৰ ৰচনাৰাজিৰ সমানেই তাৎপৰ্য্যপূৰ্ণ আৰু মূল্যবান বুলি তেখেতে দৃঢ় প্ৰত্যয়েৰে মন্তব্য কৰিছে। কথাটো ব্যাপকভাৱে গৃহীত হৈছিল তাৰ কেইবাবছৰো পিছতহে।

সমালোচকৰ নিজৰ সাহিত্যসৃষ্টিৰ অভিজ্ঞতা থাকিবই লাগিব, তেনে এটা কথা সকলোৱে মানি নল'ব। কিন্তু তেনে অভিজ্ঞতাই লেখক-লেখিকাৰ মনোজগতত আৰু সৃষ্টিক্ৰিয়াত প্ৰৱেশ কৰিবলৈ সমালোচকক সক্ষম কৰিব পাৰে। মুনীন বৰকটকীৰ কেতবোৰ তথাকথিত সৃষ্টিধৰ্মী (creative) ৰচনাও এই ৰচনাৱলীত সন্নিৱিষ্ট হৈছে। (উচ্চস্তৰৰ সমালোচনাও প্ৰকৃতাৰ্থত সৃষ্টিধৰ্মী।)

১৯৩০ আৰু ১৯৩৪ চনৰ ভিতৰত তেখেতে লিখা গল্পবোৰৰ বিষয়ে বেছি ক'বলৈ নাই। গল্পবোৰ গতানুগতিক, ভাবপ্ৰৱণ, আৱেগ প্ৰকাশত উচ্ছ্বাসপূৰ্ণ। প্ৰতিদানহীন প্ৰেমৰ বিড়ম্বনা আৰু বিষাদ, সামাজিক অন্যায় আৰু নিপীড়নে গচকি যোৱা দৰিদ্ৰ-অৱহেলিত মানুহৰ হা-হুমুনিয়াহ, এই ধৰণৰে বিষয়বস্তু আছিল সেই গল্পবোৰৰ। তাৰ পিছৰ পৰা গল্পবোৰত অধিক সংযম, আৱেগ প্ৰকাশত অধিক বস্তুনিষ্ঠতা দেখা যায়। আকৌ নতুন ধৰণৰ গল্পবোৰত স্পষ্টকৈ অনুভৱ কৰিব পাৰি ব্যক্তিমানৰৰ আৱেগ-অনুভূতিক বজ্ৰ কঠোৰ শিকলিৰ দৰে বাধা দি ৰখা সামন্তবাদী সমাজ-সংস্কৃতিৰ উপস্থিতি। সেইবোৰ বাধাৰ পৰা ব্যক্তিমানৰৰ আৱেগ-অনুভূতিক, বিশেষকৈ নৰ-নাৰীৰ মাজত জাগি উঠা পৰস্পৰৰ প্ৰতি কামনাৰ প্ৰাবল্যক, বৰকটকীৰ নতুন গল্পবোৰ লোকাচাৰজনিত সংকোচ অতিক্ৰম কৰি প্ৰকাশ কৰিছে। তথাপি এনে

গল্পবোৰ সাধাৰণতে বিয়োগান্ত, কাৰণ চৌদিশৰ সমাজখনৰ জড়তাই ব্যক্তিৰ হৃদয়াৱেগ আৰু দৈহিক বাসনাৰ এই আজুতি সচৰাচৰ নিৰ্মমভাৱে দমন কৰিছিল। বিশেষকৈ নাৰীৰ ক্ষেত্ৰত প্ৰেমৰ আৱেগ-অনুভূতিৰ মুক্ত প্ৰকাশৰ পথত দুৰ্জয় প্ৰাচীৰৰ দৰে থিয় দি আছিল সামন্ততান্ত্ৰিক ধ্যান-ধাৰণা আৰু ৰীতি-নীতি— ঔপনিৱেশিক আধুনিকতাই যাক সতকাই অতিক্ৰম কৰিব নোৱাৰিছিল। নাৰীৰ প্ৰেমৰ ভাষা আছিল অস্ফুত।

কিন্তু প্ৰেমৰ মুক্ত প্ৰকাশৰ বাধা হোৱা এইবোৰ সংস্কাৰ আৰু আচাৰে লেখকৰ চৰিত্ৰ চিত্ৰণত বিশেষ সহায় কৰিছিল। সাধাৰণতে মধ্যবিত্ত শ্ৰেণীৰ নায়ক-নায়িকাৰ দ্বিধা-দ্বন্দ্ব আৰু আত্ম-বিভাজন খুঁটি-নাটিৰে পৰিস্ফুট কৰাত লেখক সফল হৈছিল। প্ৰেমৰ পথত থকা নানা বিপদ-সংকটৰ ভিতৰত সামন্তবাদী ৰক্ষণশীল ঐতিহ্যৰ লগতে ভূমুকি মাৰিছিল আধুনিক জীৱনৰ শ্ৰেণীদ্বন্দ্বয়ো। গল্পবোৰৰ নায়ক শিক্ষিত নিম্নমধ্যবিত্ত শিক্ষক বা কেৰাণী, যাৰ মন আৰু কল্পনা ৰোমান্তিক আশা-আকাংশাই স্পন্দিত কৰে। কিন্তু তেওঁৰ গোপন হৃদয়াৱেগৰ পাত্ৰী চুবুৰীয়া কোনো অৱস্থাপন্ন ঘৰৰ গাভৰু, যাৰ বিয়া ঠিক হয় তেওঁতকৈ সামাজিক জখলাত বহুত ওপৰত থকা কোনো এজনৰ লগত। এনে পৰিস্থিতিত প্ৰেমৰ প্ৰকাশ আছিল পুৰণিকলীয়া সমাজৰ ভিত্তিমূল কঁপাই দিব পৰা প্ৰায় বৈপ্লৱিক ঘটনা।

গল্পবোৰত নায়িকাক দেখা গৈছে হয়তো উদ্ভিন্ন যৌৱনা, অংকুৰিত প্ৰেমৰ প্ৰকাশত কুণ্ঠিতা তৰুণী ৰূপে, নহ'লে সুগৃহিণীৰ দৰে সেৱাৰ মাজত নিজকে বিলাই দিয়া নাৰীৰ ৰূপতা। দ্বিতীয় ৰূপটোত নাৰীয়ে নায়কৰ পৰা পাইছে কৰুণা আৰু শ্ৰদ্ধাৰ অঞ্জলি। এইটো কিছু পৰিমাণে stereotype, পুৰুষপ্ৰধান সমাজৰ আকাংক্ষিত নাৰীৰ ভাবমূৰ্তি। প্ৰথম ৰূপটোত ব্যক্তিগত প্ৰেম অনুভৱ কৰিব পৰাকৈ জীৱন্ত অথচ প্ৰকাশ কৰিবলৈ অতিশয় কুণ্ঠিত চৰিত্ৰ একোটা প্ৰতীয়মান হয়। এটা গল্পত গল্পৰ নায়কে বেলেগ নাৰীক বিয়া কৰাই দুটা সন্তানৰ পিতৃ হোৱাৰ পিছত তেতিয়াৰ দুৰাৰোগ্য যক্ষ্মা ৰোগত যেতিয়া মৃত্যুপথযাত্ৰী, তেনে সময়তে তেওঁৰ পূৰ্বৰ প্ৰেমাস্পদাই তেওঁৰ স্বামীৰ সৈতে নায়কৰ খবৰ ল'বলৈ আহি দুখে-শোকে জৰ্জৰিত হৈ ভাঙি পৰিছে আৰু তেওঁৰ কান্দোনৰ উচ্ছ্বাসত মুকলিকৈ প্ৰকাশ পাইছে নায়কৰ প্ৰতি থকা প্ৰেম। গল্পটোৰ শেষ নাটকীয়— নায়ক আৰু তেওঁৰ পত্নী, তেওঁৰ প্ৰেমাস্পদা আৰু তেওঁৰ স্বামী, এই চাৰিজনৰ নীৰৱতাৰ মাজেদি মুখৰিত হৈছে এক কোলাহল।

সম্ভৱতঃ এইবোৰ গল্পৰ ভিতৰত চৰিত্ৰ চিত্ৰণ, ঘটনাৰ বাস্তৱতা আৰু নাৰী-পুৰুষৰ কামনাৰ অপ্ৰতিৰোধ্য তৰংগৰ স্পন্দনে "পাপ নে ভুল'ক এক সুকীয়া আসন দিছে। নায়ক বিবাহিত। তেওঁৰ সৰলচিতীয়া গৃহস্থকৰ্মত ব্যস্ত পত্নীক তেওঁ ভাল পায়, কিন্তু দুয়োৰে মাজৰ বৌদ্ধিক আৰু চেতনাগত ব্যৱধানৰ বাবে তেওঁক লৈ সম্পূৰ্ণ সুখী হ'ব নোৱাৰে। তেওঁৰ আকাংক্ষিত অথচ নিজে নুবুজা প্ৰেমৰ সাৰ্থকতা তেওঁ আকস্মিকভাৱে বিচাৰি পায় এগৰাকী বিধৱা কিন্তু শিল্পসাহিত্যৰ ৰস উপভোগ কৰা আৰু সৌন্দৰ্য্যবোধ থকা যুৱতীৰ মাজত। দুয়োৰে মাজত অজানিতে বাঢ়ি অহা ঘনিষ্ঠতাই সংস্কাৰ আৰু ৰীতি-নীতিৰ সকলো বাধা ক্ৰমে ক্ৰমে জয় কৰে। দুয়ো দুয়োৰে প্ৰতি অনুভৱ কৰে দুৰ্বাৰ আকৰ্ষণ। আনহাতে নায়কৰ আজলী পত্নীয়ে গতানুতিক জীৱনৰ মাজত এক বিপদৰ সংকেত পাই সচকিত হৈ উঠে। শেষত এনে এটা পৰিস্থিতিত এই অবৈধ প্ৰেম সকলোৰে আগত ধৰা পৰি যায়, যে নায়ক অচেতনভাৱে তেওঁৰ পত্নীৰ আগত এজন ভণ্ড স্বামীৰ ৰূপত প্ৰতিভাত হয়। গল্পটোৰ আংগিকেও শ্বেখফৰ গল্পলৈ মনত পেলায়। গল্পটোৰ পৰিণতি কিছু পৰিমাণে হাস্যৰস বিজড়িত, কিন্তু প্ৰেমৰ অমোঘ বাস্তৱতা উন্মোচন কৰি সি সেই হাস্যৰস নিয়ন্ত্ৰণ কৰে।

এই গল্পত ৰীতিগত (conventional) নৈতিকতাৰ প্ৰতি যি প্ৰতিবাদৰ সুৰ ধ্বনিত হৈছে, "তাই আৰু মই" গল্পত সি আৰু উচ্চকণ্ঠত উচ্চাৰিত হৈছে। প্ৰথাগত মধ্যবিত্ত আৰু নিম্নমধ্যবিত্ত জীৱনৰ খুটি-নাটিৰে গল্পটো আৰম্ভ আৰু শেষ হৈছে। মাজত আছে সেই জীৱনৰ নিৰাপদ ধ্যান ধাৰণা, আচাৰ-সংস্কাৰক প্ৰবল প্ৰত্যাহ্বান জনাই চুবুৰীয়া এজনী বেশ্যাৰ জীৱনক লৈ নায়কৰ মনত আলোড়ন তোলা চিন্তা-ভাবনাৰ বিক্ষুব্ধ তৰংগৰাশি। বেশ্যাজনীক হেয়জ্ঞান কৰা; নিজতকৈ বেলেগ মানুহ বুলি ভাবি নিৰাপদ বোধ কৰা, নায়কৰ সকলো সংস্কাৰ আৰু তথাকথিত নৈতিকতা মষিমূৰ কৰি আমাৰ

আগত উন্মোচিত হৈছে এই সত্য যে বেশ্যাজনীও তেওঁৰ দৰেই মানুহ, নিষ্ঠুৰ সংসাৰে যাক বেশ্যাবৃত্তি ল'বলৈ বাধ্য কৰিছে, যি নিজৰ দুৰ্ভাগ্যত অকলে অকলে কান্দে, আৰু যাক ভণ্ড, পুৰুষপ্ৰধান সমাজে এহাতে প্ৰয়োজনত গঢ় দিছে, আনহাতে অৱনমিত কৰিছে তথাকথিত নৈতিকতাৰ পতাকাখন পৰি নোযোৱাকৈ ধৰি ৰাখিবলৈ।

গল্পবোৰে প্ৰমাণ কৰে যে চৰ্চা কৰি থকা হ'লে মুনীন বৰকটকী অসমৰ এজন আগশাৰীৰ গল্পকাৰ হ'লহেঁতেন, যাৰ মনস্তাত্ত্বিক পৰ্যবেক্ষণ, নৰ-নাৰীৰ বাস্তৱ সম্পৰ্ক উন্মোচনৰ সাহস, আৰু আংগিকৰ পৰীক্ষাই তেওঁক এক সুকীয়া স্থানত প্ৰতিষ্ঠা কৰিলেহেঁতেন।

সেই হিছাপে তেওঁৰ কবিতাবোৰ সিমান সাৰ্থক সৃষ্টি নহয়। কেৱল এইখিনি কথা ক'লেই হ'ব যে গল্পবোৰৰ দৰে জড় সামাজিক ৰীতি-নীতিৰ বিৰুদ্ধে মানৱপ্ৰাণৰ আদিম আৱেগৰ বিদ্ৰোহ আৰু নিৰাবৰণ আসক্তিৰ (passion) জয়গান কবিতাবে ইটাতো প্ৰকাশ পাইছে। কিন্তু তেওঁৰ কবিতাৰ ভাষা অধিক বক্তব্যধৰ্মী, কাব্যিক ইংগিত আৰু ব্যঞ্জনাৰে সমৃদ্ধ নহয়।

মুনীন বৰকটকীৰ পৰিচয় আমাৰ বাবে এজন কৃতী সমালোচক হিছাবেহে। বৈদগ্ধ্য আৰু মনস্বিতাৰ, ৰসবোধ আৰু ভাৰসাম্যৰ সাৰ্থক সমন্বয় আছিল তেখেতৰ বেছিভাগ সমালোচনা, আৰু সমালোচনাতে তেখেতৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ যথাৰ্থ পৰিচয় যেন ফুটি ওলাইছিল।

তেখেতে বিদ্যায়তনিক সমালোচনাৰ প্ৰতি বৰ আকৃষ্ট হোৱা নাছিল। আনহাতে সাধাৰণ পাঠকৰ ভেদজ্ঞানহীন স্তৰলৈ নামি জনপ্ৰিয় হোৱাৰ প্ৰবৃত্তিও তেখেতৰ নাছিল। কিন্তু এজন সাহিত্যৰসিক পাঠক হিছাবে তেখেত আন শিক্ষিত, ৰসগ্ৰাহী পাঠকৰ সঁহাৰি বিচাৰিছিল। সমালোচকৰ এই সামাজিক দায়িত্ববোধৰ অন্যতম প্ৰকাশ ঘটিছিল মঞ্চস্থ নাটকৰ সমালোচনাত। সমূহ দৰ্শকৰ মাজতে এজন সচেতন, ৰসবোধ আৰু বিচাৰবোধ কৰা দৰ্শক হিছাবে তেখেতে যেন বাকী দৰ্শকসমূহৰ ওচৰত তেখেতৰ বক্তব্য নিবেদন কৰিছিল।

সমালোচক হিছাবে তেখেত সততে সকলো সৃষ্টিৰ সফল আৰু সদৰ্থক দিশৰ প্ৰতি চকু দিছিল, কিন্তু সেইবোৰৰ দোষ-ত্ৰুটি, বিভিন্ন ধৰণৰ ব্যৰ্থতাৰ প্ৰতি সজাগ আছিল। তেখেতে গ্ৰহণ আৰু পোষণ কৰা সাহিত্যৰ উচ্চমানৰ প্ৰতি তথা সংস্কৃতিৰ উৎকৰ্ষৰ প্ৰতি তেখেতৰ এক গভীৰ দায়িত্ববোধ আছিল। যেন এজন স্নেহপৰায়ণ কিন্তু দায়িত্বশীল অভিভাৱকৰ দৰে তেখেতে সাংস্কৃতিক মূল্যবোধক প্ৰতিপালন কৰিছিল।

এই মূল্যবোধ বেছিভাগ সময়তে নিৰ্ভুল আছিল বুলি ক'ব নোৱাৰি। ভবেন শইকীয়া, মহিম বৰা আদিৰ সমসাময়িক সৌৰভ চলিহাৰ প্ৰতিভাক স্বীকৃতি দিলেও তেখেতে চলিহাৰ গল্পবোৰৰ পৰিবেশৰ ৰেহ-ৰূপ কিছু বেলেগ হোৱা বাবে আৰু চৰিত্ৰসমূহত প্ৰকট বিচ্ছিন্নতাৰ বাবে তেখেতক আধুনিক অসমীয়া চুটিগল্পৰ মূলসুঁতিৰ পৰা কিছু নিলগত থ'ব খুজিছিল। কিন্তু পৰৱৰ্তী প্ৰজন্মৰ বিচাৰত সৌৰভ চলিহাৰ গল্পতহে বিচ্ছিন্ন, আধুনিক চেতনাৰ স্বকীয় সুৰ ধ্বনিত হৈছিল। সেইদৰে জঁা আনুইৰ "আন্তিগান" (Antigone) নাটকখনত তেখেতে ছফোক্লীছৰ ট্ৰেজেডিৰ আধুনিক উপস্থাপন বিচাৰি পাইছিল। কিন্তু ছফোক্লীছ য'ত ৰাষ্ট্ৰৰ কৰ্তৃত্বশীল নীতিৰ নিদাৰুণ সীমাবদ্ধতাৰ প্ৰতি সচেতন, তাত আনুয়ে দাঙি ধৰিছে imperfect (মৌলিকভাৱেই ত্ৰুটিপূৰ্ণ) জগতৰ বাধ্যবাধকতাৰ মাজত ৰাষ্ট্ৰৰ অনিবাৰ্য আৰু শেষপৰ্যন্ত অপৰিহাৰ্য নিয়ম-নীতিৰ বিধান। কিন্তু বাদবাকী ৰচনাবোৰত বৰকটকীৰ ৰসবোধ, বিচাৰক্ষমতা আৰু পৰিপক্কতাই অভ্ৰান্ত মূল্যায়নৰ লক্ষণ পৰিস্ফুট। যেনে, মহিম বৰাৰ গল্পত নানা খুটি-নাটিৰে এক ভাবঘন পৰিবেশ গঢ়ি তোলাৰ অসামান্য ক্ষমতা, গল্পৰ চৰিত্ৰসমূহৰ লগত এক সহজাত আত্মীয়তা, তুলিকাৰ এটা আঁচোৰেৰেই একোটা চৰিত্ৰৰ বা এক বিস্তীৰ্ণ পটভূমিৰ ইংগিত দিয়াৰ যাদুকৰী কৌশল তেখেতে মুগ্ধ দৃষ্টিৰে লক্ষ্য কৰিছে। লক্ষীনন্দন বৰাৰ গল্পতো ব্যতিক্ৰমী চৰিত্ৰ বা পৰিস্থিতিক লৈ লিখা মৰ্মভেদী কাহিনীৰ তেখেতে শলাগ লৈছে। ভবেন শইকীয়াৰ গল্পত দেখিছে যে গল্পকাৰে সযতনে নিজকে চৰিত্ৰবোৰৰ পৰা আঁতৰাই ৰাখিছে অথচ চৰিত্ৰবোৰৰ আৱেগ-অনুভূতি পাঠকৰ বাবে

জীৱন্ত ৰূপত প্ৰকাশ পাইছে।

অসমীয়া চুটিগল্পৰ বিষয়ে লিখা নিবন্ধত তেখেতে ধাৰাটোৰ সামগ্ৰিক ইতিহাস আৰু অৱকাশৰ (scope) এটা বিস্তাৰিত বিৱৰণ দিছে। গল্পকাৰসকলৰ অৰ্থ সামাজিক পটভূমি আৰু সাংস্কৃতিক ধ্যান ধাৰণাৰ আভাস দিছে। আৰু তেতিয়ালৈকে গল্পকাৰ হিছাবে আত্মপ্ৰকাশ কৰা শেহতীয়া লেখকজনকো আলোচনাত সামৰি এক উদাৰ দৃষ্টিভংগীৰ চিনাকি দিছে। আকৌ এখন তালিকা প্ৰস্তুত নকৰি বেছিভাগৰে নিজস্ব বৈশিষ্ট্যৰ প্ৰতি আঙুলিয়াইছে। চুটিগল্পত যে আধুনিক অসমীয়া সাহিত্যই তাৰ শ্ৰেষ্ঠ সিদ্ধি অৰ্জন কৰিছে সেই বিষয়ে তেখেত সচেতন, আৰু পাঠকৰ মনতো তেনে এক উপলব্ধি তেখেতে জগাই তুলিবলৈ বিচাৰিছে। এই ঐতিহাসিক কিন্তু চুম্বক বিৱৰণত তেখেতে লক্ষ্মীধৰ শৰ্মাৰ গল্পসমূহক এটা "water-shed" বুলি কৈছে অতি তাৎপৰ্যপূৰ্ণভাৱে "আৱাহন"ৰ যুগ শেষ হৈ "ৰামধেনু"ৰ যুগ আৰম্ভ হোৱাৰ আগলিকালটো যেনে এইজন প্ৰতিভাধৰ গল্পকাৰৰ ৰচনাতে পৰিস্ফুট হৈছে। আব্দুল মালিককো কিছু পৰিমাণে লক্ষ্মীধৰ শৰ্মাৰ সতীৰ্থ বুলি কৈছে এই অৰ্থতে। নিবন্ধটো যেনে তথ্যসমৃদ্ধ তেনে ভাবগধুৰ।

যি সময়ত উচ্ছ্বাসপূৰ্ণ প্ৰশংসা সমালোচনাৰ অভ্যস্ত ৰীতি হৈ পৰিছিল, সেই সময়ত পক্ষপাতৰ পৰা মুক্ত, বস্তুনিষ্ঠ আৰু মনোযোগী বিচাৰৰ দুৰ্লভ নিদৰ্শন আছিল বৰকটকীৰ সমালোচনা। এই ক্ষেত্ৰত তেখেতে যেনেকৈ অনাহক তুচ্ছ-তাচ্ছিল্যৰ আশ্ৰয় লোৱা নাছিল, তেনেকৈ ব্যক্তিগত ঘনিষ্ঠতাৰ বাবে কাকো সমালোচনাৰ পৰা ৰেহাই দিয়া নাছিল। চৈয়দ আব্দুল মালিকৰ "**অন্য আকাশ অন্য তৰাখন**"ক মালিকৰ প্ৰতিভাৰ যোগ্য নিদৰ্শন বুলি তেখেতে ধৰা নাই। হেম বৰুৱাৰ "**সাহিত্য আৰু সাহিত্য**"ৰ মৌলিক আৰু সাৰুৱা মন্তব্যবোৰৰ শলাগ লৈ উঠিও তেখেতে তাত থকা শিথিল, অলস সাধাৰণীকৰণবিলাকক কঠোৰ ভাষাৰে নাকচ কৰিছে। আকৌ নৱকান্ত বৰুৱাৰ "**যতি**" ("যতি আৰু কেইটামান স্কেচ্"?) কাব্যগ্ৰন্থখনৰ সাংগীতিক ধ্বনিময়তা, ছন্দৰ বৈচিত্ৰ্য, প্ৰতীকবাদী আংগিকৰ কুশলী প্ৰয়োগ, পাতল আৰু গহীন ভাবৰ মিশ্ৰণ, গভীৰ ঐতিহাসিক আৰু কাল-চেতনাৰ লগতে থকা ভাৰতীয় ঐতিহ্যৰ শাশ্বত প্ৰমূল্যসমূহৰ প্ৰতি সংবেদনশীলতাৰ অকুণ্ঠ প্ৰশংসা কৰিছে। নাৰায়ণ বেজবৰুৱাৰ "**নতুন দিগন্ত**" নামৰ বৃহৎ কলেবৰৰ উপন্যাসখনৰ প্ৰশস্ত দৃষ্টিকোণ, আৰু গহীন উদ্দেশ্যৰ শলাগ লৈ উঠি তাৰ ৰূপায়ণৰ দুৰ্বলতাসমূহ নিৰাসক্তভাৱে উন্মোচন কৰিছে। যেনে তাৰ চৰিত্ৰসমূহৰ বাস্তৱতাৰ অভাৱ আৰু নাটকীয় সংলাপ। ঔপন্যাসিকৰ নানা উচ্চাভিলাষী ধ্যান-ধাৰণাৰ প্ৰকাশ আৰু মহৎ ভাবৰ উক্তিবোৰো কাহিনীত অপ্ৰাসংগিক যেন লগা হৈছে। আনহাতে আধুনিক অনুভূতি আৰু চেতনাৰ স্বাক্ষৰ বহন কৰা বাবে আধুনিকতাবাদৰ নিছান হাতত নোলোৱা হিৰন্ময়ী দেৱীকো তেওঁ মুক্তকণ্ঠে প্ৰশংসা কৰিছে। পোনপটীয়াকৈ সাহিত্যকৰ্ম নহ'লেও তৈয়বুল্লাচাহাবৰ "**কাৰাগাৰৰ চিঠি**"খনক তেওঁ উচ্চস্তৰৰ সাহিত্যৰ সন্মানেই দিছে।

তেওঁ কিছু বিস্তাৰিতভাৱে আলোচনা কৰা সাহিত্যকৰ্মৰ ভিতৰত আছে মহিম বৰা আৰু শীলভদ্ৰৰ চুটিগল্পসমূহ। শীলভদ্ৰৰ "**মধুপুৰ বহু দূৰ**" সংকলনখনৰ দিগন্ত প্ৰসাৰি দৃষ্টি, বিষয়বস্তুৰ বৈচিত্ৰ্য, সনাতন গ্ৰাম্য জীৱনলৈ আধুনিক চহৰীয়া জীৱনে অনা অশান্তি আৰু সংঘাত, গভীৰ কালচেতনা, আংগিকৰ বৈশিষ্ট্য হিচাবে পৰস্পৰবিৰোধী বা অসংলগ্ন যেন লগা চিত্ৰসমূহৰ অন্তৰ্লীন যোগাযোগ আইদ গুণৰ বাবে সেইখন অসমীয়া সাহিত্যৰ অন্যতম স্মৰণীয় কীৰ্তিৰূপে তেখেতে চিহ্নিত কৰিছে।

আগতেই কৈ অহা হৈছে যে গুৱাহাটীত মঞ্চই হোৱা নতুন নাটকৰো বৰকটকী আছিল ৰসিক সমালোচক। অৰুণ শৰ্মাৰ "**পুৰুষ**" নাটকখনৰ অভিনৱত্বই কেনেকৈ তেতিয়ালৈকে জনপ্ৰিয় হৈ থকা সমাজমুখী নাটকৰ ঠাইত একান্ত ব্যক্তিগত, নিঃসংগ অস্তিত্বৰ চেতনাৰে সংপৃক্ত নাটকীয় বিষয়বস্তু এটা প্ৰতিষ্ঠা কৰিছে; তেনে মন্তব্য কৰি উঠি তেখেতে প্ৰায় ভৱিষ্যদ্ৰষ্টাৰ প্ৰজ্ঞাৰে সিদ্ধান্ত কৰিছে যে অৰুণ শৰ্মাই পৰৱৰ্তী কালত নিতান্ত ব্যক্তিগত, একাকী চেতনাৰ পৰা জনপ্ৰিয় সামাজিক চেতনাৰ পিনে গতি কৰিবলৈ অসুবিধা নাপাব। আখৰে আখৰে তেখেতৰ এই উক্তি ফলিয়াইছিল।

একেধৰণৰ বস্তুনিষ্ঠ সমালোচনাৰ বিষয় হৈছিল জাহ্নু বৰুৱাৰ **"হালধীয়া চৰায়ে বাওধান খায়"** নামৰ চলচিত্ৰখন। চলচিত্ৰখনৰ অভিনয়ৰ সাবলীলতা আৰু উৎকৰ্ষ তথা নিপীড়িত, নিষ্পেষিত মানুহৰ দুখযন্ত্ৰণাৰ অবিচলিত চিত্ৰায়ণৰ শলাগ লৈছে তেখেতে। কিন্তু কাহিনীৰ একমাত্ৰিকতা আৰু আৱেগৰ মাত্ৰাধিক্যই তেখেতৰ বিৰাগ উৎপাদন কৰিছে। তেখেতে চুম্বকভাৱে কৈছে যে অনুভূতি আৰু আৱেগিকতাৰ মাজৰ সূক্ষ্ম সীমাৰেখাডাল জাহ্নু বৰুৱাৰ চকুত পৰা নাই।

ডেনিয়েল ময়নিহানৰ **A Dangerous Place** আৰু ফিল্ডমাৰ্শ্বাল আয়ুব খানৰ **Friends Not Masters** নামৰ আত্মকথামূলক দুয়োখন গ্ৰন্থতে এহাতে যেনেকৈ বৰকটকীয়ে তীক্ষ্ণ অন্তৰ্দৃষ্টিৰে দুয়োজন লেখকৰ আত্মকেন্দ্ৰিকতাপ্ৰসূত দুৰ্বলতা ধৰা পেলাইছে, আনহাতে তেনেকৈ কিতাপ হিচাবে দুয়োখনৰে গুণ আৰু দোষৰ বিচক্ষণ বিৱৰণেৰে মানসিক ভাৰসাম্য আৰু সত্যনিষ্ঠাৰ পৰিচয় দিছে। হেৰম্বকান্ত বৰপূজাৰীৰ "ইতিহাস ঃ ৰচনাবিধি আৰু ক্ৰমবিকাশ" শীৰ্ষক ৰিভিউ ৰ পৰ্যালোচনাত সেই একেই আত্মস্থ আৰু বস্তুনিষ্ঠ পৰীক্ষা বিৰাজমান। তেওঁ নিজে ঐতিহাসিক নহয় বুলি নম্ৰতাৰে স্বীকাৰ কৰি লৈ তেওঁ অসমৰ বিদ্বৎসমাজৰ বাবে কিতাপখনৰ গুৰুত্ব আঙুলিয়াই দিছে।

আৰু বাহুল্যৰ প্ৰয়োজন নাই। বৰকটকীৰ সমালোচনা সমাজৰ লগতে নিজৰ অন্তৰাত্মাৰ প্ৰতি গভীৰ দায়িত্ববোধৰ নিদৰ্শন। সেই বাবেই তেওঁৰ প্ৰতিটো সমালোচনাই যেন তেওঁক মেধা আৰু জ্ঞানৰ এক উচ্চতৰ স্তৰত উপনীত হ'বলৈ প্ৰবুদ্ধ কৰিছে। তেওঁ প্ৰকৃতাৰ্থত আছিল প্ৰকাৰ সাধক।

বৰকটকীৰ প্ৰাজ্ঞ, আত্মস্থ গুণগ্ৰাহিতাৰ লক্ষণ ফুটি ওলাইছে তেওঁৰ জীৱনীমূলক ৰচনাসমূহত। কবি মিল্টনে কিতাপৰ বিষয়ে যেনেদৰে কৈছিল যে একোখন কিতাপ একোজন মহৎ লোকৰ প্ৰকৃত পৰিচয় বিচাৰি পাইছিল তেওঁৰ কৰ্মৰাজিত— সি কিতাপেই হওক বা ৰাজনৈতিক কৰ্মকাণ্ডই হওক। লিটন স্খেচীৰ গুণমুগ্ধ হৈও তেখেতে জীৱনীৰচনাত স্খেচীৰ অবমূল্যায়নকাৰী পদ্ধতি অৱলম্বন কৰা নাছিল। মহৎ লোকৰ মহত্ব প্ৰচাৰ আৰু প্ৰতিষ্ঠা কৰাই আছিল তেখেতৰ লক্ষ্য। "বিস্মৃত ব্যতিক্ৰম" আৰু "বন্দিত বৰেণ" তেনে মনোবৃত্তিৰে উৎকৃষ্ঠ ফছল।

বৰকটকীৰ ৰচনাৰাজিত ওপৰে ওপৰে চকু ফুৰাই চালে এটা কথা পৰিষ্কাৰ হয় যে সাহিত্যৰ সকলো ক্ষেত্ৰৰ ভিতৰত জীৱনীমূলক গ্ৰন্থতে তেখেতে অধিক মনোনিবেশ কৰিছিল। তেখেতৰ স্বাভাৱিক আকৰ্ষণ যেনে সেইপিনেই আছিল। অৱশ্যে কালানুক্ৰমিক ঘটনাপঞ্জীত তেখেতৰ তেনে আগ্ৰহ নাছিল। একোজন প্ৰতিভাবান বা আন কোনো কাৰণত ঐতিহাসিক ব্যক্তিৰ জীৱন মন্থন কৰি তাৰ নিৰ্যাস (essence) পৰিশ্ৰুত কৰাই যেন আছিল তেখেতৰ বাবে প্ৰীতিপ্ৰদ, সুখদায়ক শ্ৰম "বন্দিত বৰেণ্য" আৰু "বিস্মৃত ব্যতিক্ৰম" দুয়োখনৰে উপজীব্য বিভিন্নজনৰ এনেধৰণৰ জীৱনচৰ্যা। এইবোৰ সৃষ্টিধৰ্মী ৰচনাৰ বিষয় খ্যাত-অখ্যাত-অল্পখ্যাত বিভিন্ন মানুহ। প্ৰত্যেকখনতে তেখেতৰ চৰিত্ৰৰ তথা লেখক হিচাবে তেখেতৰ ব্যক্তিত্বৰ দুটা প্ৰধান দিশ পৰিস্ফূট— গুণগ্ৰাহিতা আৰু বস্তুধৰ্মিতা। প্ৰত্যেকজন ব্যক্তিৰ ব্যক্তিত্ব আৰু মনোজগতত পূৰ্ণ দৃষ্টিপাত কৰিবলৈ নানা দিশৰ পৰা তেওঁলোকক অৱলোকন কৰা হৈছে, যাতে তেওঁলোকৰ গুণ-দোষৰ কোনো এটাই বাদ পৰি নাযায়। সেইবাবে আন কথাৰ লগতে তেওঁ সততে ৰিজনি আৰু তুলনাৰ সহায় লৈছে যাতে তাৰ মাজেদি সেইবোৰ গুণ অধিক দৃষ্টিগোচৰ হয়। কিন্তু এই সকলোৰে এক অন্তিম বা চূড়ান্ত মূল্যায়ন কৰাই তেওঁৰ উদ্দেশ। যাতে মানুহজনৰ অৱদান আৰু প্ৰকৃতিৰ এক মজবুত ধাৰণা কৰা সম্ভৱ হয়।

ধৰা যাওক বেণুধৰ শৰ্মাৰ প্ৰতি দিয়া শ্ৰদ্ধাঞ্জলি। বেণুধৰ শৰ্মা যে কেৱল তথ্য সংগ্ৰাহক নাছিল, তেওঁৰ বুৰঞ্জীমূলক ৰচনাসমূহ যে গভীৰ দেশপ্ৰেম আৰু অতীতপ্ৰীতিৰ আৱেগেৰে জাৰিত ৰসাত্মক সৃষ্টিহে, তেখেতে দৃঢ়তাৰে প্ৰতিপাদন কৰিছে। শৰ্মা যে অতীতৰ মোহত মগ্ন, তেওঁৰ যে ভৱিষ্যতৰ প্ৰতি কোনো দৃষ্টি নাই, বৰং অতীতৰ গৌৰৱ-গাথাৰে তেওঁ বৰ্তমান প্ৰজন্মক অনুপ্ৰাণিত কৰিবলৈ বিচাৰে, তেওঁৰ ৰচনাত যে গভীৰ চিন্তাপ্ৰসূত আৰু ভাবব্যঞ্জক বক্তব্য নাই, বৰকটকীয়ে স্পষ্টকৈ কৈছে সৌজন্যৰ লাঘৱ নঘটোৱাকৈ।

কিন্তু শৰ্মাৰ ৰচনাৰাজিত অতীতৰ বীৰ অসম-সন্তান সকলৰ আৰু অসমৰ আধুনিক যুগৰ আগলি কালছোৱাৰ কৰি

বৰেণ্য পুৰুষসকলৰ যি গৰিমা ফুটি ওলাইছে, তাৰ যোগেদি তেখেতৰ হৃদয়ভৰা অসমপ্ৰেম তথআ দেশাত্মবোধেই শংখধ্বনিৰে সমসাময়িক আৰু পৰৱৰ্তী প্ৰজন্মক উৎসাহিত আৰু অনুপ্ৰাণিত কৰিছে। শৰ্মাৰ নিভাঁজ থলুৱা ইডিয়মৰ কেতবোৰ অত্যুৎসাহী আতিশয্যৰ কথা থাউকতে উল্লেখ কৰিলেও বৰকটকীয়ে বুৰঞ্জীৰ শুকান হাড়কেইডালত তেজোময় তেজমঙহৰ দীপ্তি দান কৰিব পৰা সেইজন লেখকক "গদ্যৰ ওজা", master of prose আখ্যা দিবলৈ দ্বিধা কৰা নাই।

সাহিত্যৰসিক হ'লেও এইখন ৰচনাত আৰু বিষ্ণু ৰাভাৰ বিষয়ে লিখা ৰচনাত অ-সাহিত্যিক উদ্দেশ্যৰ লগত সাহিত্যৰ ৰাহি-জোৰা নাহে বুলি কৰা গতানুগতিক ধাৰণাক তেখেতে তৰাং বুলি নাকচ কৰিছে। বেজবৰুৱাই যদি অসমীয়া ভাষা-সাহিত্য ৰক্ষাৰ হকে যদি মৰো-জীও-সো-আধিকৈ নালাগিলেহেঁতেন, তেওঁৰ বিশিষ্ট সত্তা আৰু প্ৰতিভাৰ বিকাশ নহ'লহেঁতেন। বেজবৰুৱাই 'সাহিত্যক কেৱল ভিতৰুৱা ৰসভোগ আৰু ব্যক্তিকেন্দ্ৰিক আত্মপ্ৰকাশৰ এটা উপায়ত সীমাবদ্ধ কৰি জাতীয় জীৱনৰ বেঁৰাতী সুঁতিৰ পৰা নিলগাই চোৱা নাই।' আৰু বেণুধৰ শৰ্মাৰ দেশপ্ৰেমৰ দৰে এটা 'মহতী প্ৰেৰণাই'হে 'নিছক সাহিত্য সৃষ্টি'ক দেশ আৰু ভূমাস্পৃহাৰ উচ্চস্তৰলৈ উন্নীত কৰিব পাৰে।

গোহাঞিবৰুৱাৰ দ্বাৰা ৰচিত চমু জীৱনীসমূহতো ওখ খাপৰ মননশীলতা নাই, বা চৰিত্ৰ অধ্যয়নৰ মনস্তাত্ত্বিক জটিলতা নাই, নাইবা বুদ্ধিদীপ্ত তীক্ষ্ণধাৰ ব্যৱচ্ছেদো নাই। তেওঁৰ বাহ্যিক আড়ম্বৰ আৰু উপাধিৰ প্ৰতি দুৰ্বলতা আৰু বিদেশী শাসকৰ ওচৰত হীনমন্যতায়ো পাঠকৰ মনত বিৰাগ সঞ্চাৰ কৰিব পাৰে। কিন্তু আচৰিত কথা, 'গোহাঞিবৰুৱাৰ নিৰহ-নিপানী, পোনপটীয়া, কোনো stant নথকা জীৱনী পঢ়ি আবিষ্ঠ হৈ থাকিব পৰা যায়। ব্যক্তিৰ বিশেষত্বৰ সাঁচ ৫কোটা সেই জীৱনীকেইখনে এনে দকৈ বহুৱায় যে সেই চৰিত্ৰবোৰৰ কথা মনলৈ আহিলে গোহাঞিবৰুৱাই দিয়া বিতচকুৰ মাজেদি সেইবোৰ চাবলৈ মন যায়।' তদুপৰি গোহাঞিবৰুৱাৰ 'জাৱনী সংগ্ৰহ' অকল 'কেইজনমান অসমীয়া মানুহৰ জীৱনী সমষ্টিয়েই নহয়, ই অসম আৰু অসমীয়াৰ আত্মপ্ৰতিষ্ঠা আৰু আত্মোপলা..ৰ অভিযানৰ প্ৰধান পাথেয়স্বৰূপ।'

বৰকটকীৰ এনে জীৱনীমূলক ৰচনাসমূহত তেখেতৰ মননৰ এটা প্ৰবৃত্তিৰ প্ৰতিফলন ঘটিছে চকুত পৰাকৈ। সেইটো হৈছে বিন্দুত সিন্ধু দৰ্শনৰ প্ৰয়াস। একোজন ব্যক্তিৰ চৰিত্ৰৰ বা কৰ্মৰ কোনো এক দিশৰ প্ৰশস্ত, বিশ্বজনীন তাৎপৰ্য উন্মোচন কৰিবলৈ তেওঁ সততে আগ্ৰহশীল। ব্যক্তিৰ জীৱন আৰু কৰ্মৰ নিৰ্যাস কৰোঁতেও তেখেতে সেই একে দৃষ্টিভংগীৰ পৰিচয় দিছে।

সেয়ে তেখেত বিচাৰত অম্বিকাগিৰী কাৰ্লাইল বা বাইবেলৰ 'প্ৰফেষ্ট' অংশৰ কথা মনলৈ অনা এজন 'প্ৰফেষ্ট'। তেওঁৰ চৰিত্ৰত সেয়ে তীব্ৰতা, অস্থিৰতা আৰু দৃঢ় প্ৰত্যয়ৰ সমাবেশ ঘটিছে। তেওঁ একেধাৰে পোহৰ আৰু তাপৰ সমাহাৰ এক জীৱন্ত আগ্নেয়গিৰি। তদুপৰি তেওঁৰ চৰিত্ৰ আৰু কৰ্মত বিভিন্ন বিৰোধি প্ৰৱণতাৰ মিলন উল্লেখযোগ্য— আধ্যাত্মিক ৰহস্যবাদ, মানৱপ্ৰেম, ৰাজনৈতিক দৃষ্টিভংগী আৰু চাণক্যনীতি একে সূত্ৰত গ্ৰথিত হৈছে। বৃদ্ধাৱস্থাত তেওঁৰ সান্নিধ্যত যি কোনো লোকেই অনুভৱ কৰিব পাৰিছিল এক চিৰবিদ্ৰোহী, চিৰসংগ্ৰামী, আজীৱন এক স্বৰ্গীয় অসন্তুষ্টিত মথিত অন্তৰ।

আকৌ জ্ঞান বৰাৰ চৰিত্ৰগত স্থিতধী স্বভাৱ আৰু সৌম্যতাৰ প্ৰকাশ ঘটিছিল তেওঁৰ ৰাজনৈতিক ৰচনাসমূহৰ সুশৃংখল চিন্তাধাৰা, শক্তিশালী যুক্তি বিচাৰ, বিশ্লেষণী ক্ষমতা আৰু বৈষয়িক (practical) ঘটনাৱলীৰ গভীৰ পৰ্যবেক্ষণত। তুলনাত তেওঁৰ সাহিত্যিক ৰচনাৱলী আছিল গতানুগতিক বিৱৰণধৰ্মী।

মহেন্দ্ৰনাথ ডেকাফুকনৰ চৰিত্ৰত প্ৰতিভা আৰু বাতিকগ্ৰস্ততাৰ (ecentiricity) অদ্ভুত সমন্বয় দেখা গৈছিল। তেওঁৰ কিছুমান কাম আছিল প্ৰতিভাৰ উৎকৃষ্ট নিদৰ্শন, আন কিছুমান আকৌ প্ৰায় বলীয়ালিৰ শাৰীত পৰিছিল। তেওঁৰ সন্দেহাতীত প্ৰতিভাৰ বাবে তেওঁৰ উৎকেন্দ্ৰিকতাও বৰকটকীয়ে সহজভাৱে সহ্য কৰিছিল। তেওঁৰ জীৱন পৰ্যবেক্ষণ

বৰকটকীয়ে শৃংখলিত প্ৰমীথিউছ্ আৰু কাজি নজৰুল ইছলামৰ কথা মনত পেলাইছে।

এই প্ৰসংগতে তেওঁ দুটা তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছে। এটা হৈছে এয়ে যে খ্যাতনাম বা নমস্য ব্যক্তিৰ দোষ-ত্ৰুটিৰ বস্তুনিষ্ঠ ব্যাখ্যাৰ বাবে অসমীয়া সমাজ সেই সময়লৈ সাজু হোৱা নাছিল। কাৰণ সেইসকল অসমীয়াৰ মহৎ গুণ আৰু অৱদানৰ প্ৰতিয়েই সমাজখনে যথোচিতভাৱে সচেতন নাছিল। আনকি মাধৱ বেজবৰুৱা আৰু হলীৰাম ডেকাৰ দৰে ব্যক্তিৰ ক্ষেত্ৰত সত্য আছিল এয়ে তেওঁলোকৰ প্ৰাপ্য স্বীকৃতিও যেন তেওঁলোকে সমাজৰ পৰা পোৱা নাছিল। সেই অভাৱ নিজেই পূৰণ কৰিবলৈ ওলাই প্ৰকৃতপক্ষে বৰকটকীয়ে নিজৰ গভীৰ আৰু আন্তৰিক অসমপ্ৰেমৰ পৰিচয় দিছিল।

মাধৱ বেজবৰুৱাৰ চৰিত্ৰত থকা ধুমুহাৰ দৰে অস্থিৰ গতিশীলতা আৰু যি কোনো কামতে মন পুতি লৈ কষ্ট স্বীকাৰ কৰাৰ অপৰিসীম ক্ষমতা পোহৰলৈ আনি বৰকটকীয়ে স্মৰণ কৰিছে জাৰ্মান দাৰ্শনিক নীৎছেৰ সেই প্ৰখ্যাত উক্তি— "Live dangerously!" তেওঁৰ অসম প্ৰেম এপিনে যেনেকৈ প্ৰবল আছিল, আনপিনে তেনেকৈ সংকীৰ্ণতাৰ পৰা মুক্ত আছিল। অসমৰ বিপদৰ কথা ভাবিহে তেওঁ গভীৰ উদ্বেগত ভুগিছিল আৰু কৰ্মক্ষেত্ৰত জাপ দিছিল বিক্ষুব্ধ সাগৰৰ ঢৌ নমনি জপিয়াই পৰা সন্তৰণবিদৰ দৰে।

হলীৰাম ডেকা আছিল এজন আকৰ্ষণীয় গুণী ব্যক্তি। Table-talker হিচাপে ৰসালাপ কৰি বহু লোকক আকৰ্ষণ কৰাৰ ডেকা আছিল উদাৰ ৰুচিবোধ আৰু ক্ষুৰধাৰ ব্যংগ; গভীৰ মননশীলতা আৰু লঘু পৰিহাসপ্ৰিয়তাৰ সমন্বয়। কথা-বতৰাত তেওঁৰ যি বুদ্ধিদীপ্ত ..... দেখা গৈছিল, চিত্ৰসেন যখৰীয়াৰ ৰূপত সাহিত্যত সি প্ৰকাশ পাইছিল সূক্ষ্ম, সজীৱ ব্যংগৰূপে। তেওঁৰ ৰচনাত উকিলৰ বাকপটুতাৰ লগত সংযুক্ত হৈছিল ন্যায়াধীশৰ দূৰদৰ্শিতা, উদাৰতা আৰু কৰুণা।

এই ধৰণৰ ৰচনা বৰকটকীয়ে বহুত লিখিছে আৰু দুখন সংকলন "বিস্মৃত ব্যতিক্ৰম" আৰু "বন্দিত বৰেণ্য" এনে ৰচনাৰে ঠাহ খাই আছে। পূৰ্বতে কোৱা হৈছে যে বৰকটকীৰ মতে এঝন মনীষী, প্ৰতিভা বা ভীমকৰ্মা বীৰৰ ব্যক্তিত্বৰ গৰিমাময় প্ৰতিফলন ঘটে তেওঁৰ সৃষ্টিশীল কৰ্মৰাজিত। সকলো ৰচনাতে সেই সত্তাৰ নিবিষ্ঠ অন্বেষণ বৰকটকীৰ ধ্যান। আৰু বেছি উদাহৰণৰ বাবে ঠাই নুজুৰিব। আমি ইয়াত আৰু মাত্ৰ দুখন জীৱন-চিত্ৰৰ উদাহৰণ দিম।

সাহিত্যিক তথা ৰাজনীতিবিদ হেম বৰুৱা তাৰে এজন। হেম বৰুৱাৰ জীৱন-সন্ধ্যাত স্নায়বিক বিকাৰৰ ফলত তেওঁ কেনেকৈ বাক্-ৰুদ্ধ হৈ পৰিছিল, বৰকটকীয়ে সেই কৰুণ দৃশ্য বাৰে বাৰে সুঁৱৰিছে শোকাতুৰ ভাষাত। সেই অনুভূতিৰ বাবেই হয়তো তেখেতে হেম বৰুৱাৰ কৃতিত্বৰ দোষ-ত্ৰুটি আন কেবাখনো ৰচনাৰ নায়কসকলৰ ক্ষেত্ৰত কৰাদৰে স্পষ্টকৈ উল্লেখ কৰানাই। হেম বৰুৱাৰ লগত ত্যাগবীৰৰ চৰিত্ৰ ৰিজাই তেখেতে কৈছে যে দুয়ো ৰাজনীতিৰ ক্ষেত্ৰত ত্যাগৰ আৰু আদৰ্শ নিষ্ঠাৰ প্ৰতিমূৰ্তি। কিন্তু ত্যাগবীৰ য'ত সাহিত্যৰ ৰসাস্বাদন কৰা ৰাজনীতিবিদ, তাত হেম বৰুৱা হৈছে ৰাজনীতিৰ ক্ষেত্ৰত বিশেষ ভূমিকা থকা মূলতঃ এজন সাহিত্যিক। ("ৰাজনীতিৰ প্ৰতি অন্তৰৰ টান তেওঁৰ কোনো কালেই নাছিল।") ছাত্ৰাৱস্থাত তেনে কোনো সাহিত্যপ্ৰতিভা বা ৰাজনৈতিক উৎসাহৰ কোনো দুপতীয়া চিন নেদেখুৱা হেম বৰুৱাৰ প্ৰতিভা আগষ্টৰ গণ বিপ্লৱৰ বাৰিধাৰাতহে সাহিত্য আৰু ৰাজনীতি দুয়োটা ক্ষেত্ৰতে জাগ্ৰত হৈছিল। অৱশ্যে দুটামান তিক্ত ব্যক্তিগত অভিজ্ঞতাইয়ো শোষণধৰ্মী সমাজৰ স্বৰূপ তেওঁৰ আগত দাঙি ধৰি তাত বৰঙণি দিছিল। তেওঁৰ ব্যক্তিত্বৰ অন্যতম বৈশিষ্ট্য হৈছে এয়ে যে "মনোবৃত্তিত বৌদ্ধিক আভিজাত্য থাকিলেও" আৰু "শিল্পীজনোচিত নিৰাসক্ত ভাবাপন্ন লোক হৈও সৰ্বসাধাৰণ জনতাৰ লগত তেওঁৰ আছিল সহজ আত্মীয়তা। সাংসদ হিচাপে তেওঁৰ সৰ্বভাৰতীয় খ্যাতি আৰু যশস্যা আৰু জীৱন-ৰসৰ শেষ টোপাললৈকে উপভোগ কৰা, বাগোচ্ছল, চিৰ সতেজ যৌৱনোচ্ছাসৰ জীৱন্ত প্ৰতিমূৰ্তি হেম বৰুৱাৰ শেষ জীৱনৰ স্তব্ধ মৌনতা বৰ্ণাওতে বৰকটকীৰ কলমে যেন অশ্ৰুবৰ্ষণহে কৰিছে। সেই অৱস্থাত তেওঁ যেন আছিল অতীতৰ ভৰপূৰ জীৱনৰ নিথৰ মনুমেণ্ট।

বৰকটকীৰ আন এক উল্লেখযোগ্য 'পৰ্ট্ৰেইট' আছিল কৃষ্ণকান্ত সন্দিকৈৰ— যাৰ integrity বা নীতিগত ঋজুতাই বৰকটকীক মুগ্ধ, আপ্লুত কৰি ৰাখিছিল।

বৰকটকীৰ সন্দিকৈ সম্পৰ্কে লিখা যিকেইটা নিবন্ধ "বৰেণ্য বন্দিত" সন্নিৱিষ্ট,সেইকেইটাৰ ৰচনাকাল "বিস্মৃত ব্যতিক্ৰম"ৰ পিছৰ। তেখেতৰ নানা আনুমানিক সিদ্ধান্ত, নানা তাত্ত্বিক কল্পনাৰ চাপ এই দুটা নিবন্ধত নাথাকিলেও সন্দিকৈৰ বিষয়ে তেখেতৰ ধাৰণাৰ সাৰমৰ্ম ইয়াতে থকা যেন লাগে। সন্দিকৈ তেখেতৰ মতে জীৱন আৰু পাণ্ডিত্যৰ ক্ষেত্ৰত একেই মহৎ নীতিবোধেৰে অনুপ্ৰাণিত। পাণ্ডিত্যৰ ক্ষেত্ৰত তেওঁ আছিল ঐকান্তিক নিষ্ঠাৰ পটন্তৰ স্বৰূপ। সকলো তথ্য খৰচি মাৰি অধ্যয়ন আৰু আহৰণ কৰি, সকলো সিদ্ধান্ত দৃঢ়সন্নিবদ্ধ যুক্তিৰে গাঁঠি তেওঁ নিজৰ গ্ৰন্থত স্থান দিছিল। যিবোৰ বিষয়ে তেওঁ নিশ্চিন্ত হ'ব পৰা নাছিল, মুকলিকৈ স্বীকাৰ কৰিছিল। আনহাতে নিজৰ পাণ্ডিত্য সম্পৰ্কে তেওঁৰ আছিল আচৰিত বিনয়নম্ৰতা, নাছিল বিন্দুমাত্ৰও আত্মশ্লাঘা। অথচ বিশ্বৰ আগশাৰীৰ পণ্ডিতসকলে তেওঁৰ মনীষাক স্বীকৃতি দিছিল। তেওঁৰ পাণ্ডিত্যৰ পৰিসৰ আছিল বিস্তীৰ্ণ। জৈন দৰ্শনৰ বিভিন্ন সম্প্ৰদায়ৰ খুটি-নাটি সম্পৰ্কে তেওঁৰ যেনেকৈ গভীৰ জ্ঞান আছিল, তেনেকৈ মধ্যযুগৰ ভাৰতীয় চিত্ৰকলাৰ বিষয় আৰু শৈলী সম্পৰ্কে আছিল বিশদ ব্যুৎপত্তি।

সকলো বৈষয়িক লক্ষ্যৰ প্ৰতি— ধনসম্পদ বা মান-যশ বা ক্ষমতা— তেওঁ আছিল নিতান্ত নিৰ্লিপ্ত। কিন্তু দহজনৰ লগত তেনেকৈ মিলামিছা নকৰিলেও তেওঁৰ আছিল এক মহৎ, উদাৰ অন্তঃকৰণ। বহু দুৰ্গত জনক তেওঁ অবাৰিতহস্তে দান কৰিছিল, বহু অভাৱগ্ৰস্ত ছাত্ৰৰ পঢ়াৰ খৰচ যোগাইছিল লোকচক্ষুৰ অন্তৰালত থাকি। বহু অনুষ্ঠানৰ প্ৰতিও তেওঁ বিস্তৰ দান-দক্ষিণা আগবঢ়াইছিল। সাধাৰণ মানুহে এইবোৰ কথাৰ ভু নাপালেও এটা কথা উপলব্ধি কৰিছিল। সেইটো হৈছে, সন্দিকৈৰ অধ্যয়ন আৰু পাণ্ডিত্যৰ চালিকাশক্তি আছিল এক মঙ্গলবোধৰ সাধনা।

আনহাতে অসমীয়া বিদ্বৎসমাজ সন্দিকৈৰ মনীষাৰ সন্মুখত এনে সংকুচিত হৈছিল, এনে ঈৰ্ষাকাতৰতাত আক্ৰান্ত হৈছিল যে তাক লঘূ কৰিবলৈও লুকাই-চুৰকৈ চেষ্টা নকৰাকৈ থকা নাছিল। এই মানসিক ক্ষুদ্ৰতা আৰু নীচতাই বৰকটকীক ব্যথিত আৰু ক্ষুব্ধ কৰিছিল। তেখেতে খেদ কৰিছে যে শংকৰদেৱৰে পৰা আৰম্ভ কৰি অসমৰ মহৎ লোকসকলৰ কাৰো বিষয়ে বহিৰ্বিশ্বক জনাবলৈ আমাৰ কোনো চেষ্টা নাই। এইটো কেৱল বৰকটকীৰ স্বভাৱগত সৌজন্যবোধৰ লক্ষণ নহয়, মহৎ কৃতি আৰু প্ৰতিভাৰ প্ৰতি তেখেতৰ অপৰিসীম শ্ৰদ্ধা আৰু দায়িত্ববোধ। কাৰণ প্ৰতিভা আৰু মহত্ত্বৰ স্বীকৃতিও এখন সমাজৰ উন্নতিৰ অন্যতম চৰ্ত।

বৰকটকীৰ গদ্যৰ সকলোতকৈ আকৰ্ষণীয় গুণ হৈছে প্ৰাঞ্জলতা আৰু গভীৰতাৰ সংমিশ্ৰণ। তেখেতৰ কোনো উক্তি বা মন্তব্যৰ পোনপতীয়া অৰ্থ বুজিবলৈ বেছি সময় নালাগে। কিন্তু তাৰ গভীৰ তাৎপৰ্যৰ আভাসো আমি প্ৰায় লগে লগেই পাই যাওঁ। ওজঃগুণ থকা অথচ বাগাড়ম্বৰৰ পৰা মুক্ত তেখেতৰ গদ্য এক অনলস মননশীলতাৰ নিদৰ্শন। কেতিয়াবা যদি কিবা কথা কওঁতে তেখেতে প্ৰয়োজনাধিক সময় লৈছে তাৰ কাৰণ তেখেতৰ চিন্তাৰ দৈন্য নহয়, বিষয়বস্তুৱে সৃষ্টি কৰা কিবা অসুবিধা। তেখেতে তেখেতৰ গদ্যত প্ৰায়ে ইংৰাজী শব্দ, বাক্যাংশ বা প্ৰকাশভংগী ব্যৱহাৰ কৰে, আৰু লগে লগে তাৰ সমাৰ্থক অসমীয়া শব্দ বা বাক্যাংশ বিচাৰি লয় বা উদ্ভাৱন কৰোতাৰ কাৰণ অনুকৰণপ্ৰিয়তা নহয়, অসমীয়া ভাষাৰ প্ৰকাশিকা শক্তি প্ৰসাৰিত কৰাৰ ঐকান্তিক প্ৰয়াসহে। সমসাময়িক বংগভাষাৰ অলস অনুকৰণতকৈ সি বহুতো ওখ-খাপৰ বস্তু।

শেষত এটা কথা স্পষ্ট কৰি দিব খোজো। মই এই কিতাপখনৰ পাতনিহে লিখিছো, কোনো অৰ্থতে তাৰ সম্পাদনা কৰা নাই।

হীৰেন গোহাঁই
নিজৰাপাৰ ৰোড,
গুৱাহাটী

# সূচীপত্র


● বিস্মৃত ব্যতিক্রম

| | | |
|---|---|---|
| ১. | জীৱন্ত আগ্নেয়গিৰি | ৫ |
| ২. | ডাঙৰীয়া অসমীয়া | ৮ |
| ৩. | অগ্নিযুগৰ এটি ফিৰিঙতি | ১৩ |
| ৪. | আনজন বেজবৰুৱা ডেকাবেজ মাধৱচন্দ্ৰ | ২০ |
| ৫. | এজন লেখৰ অসমীয়া 'গেড ফ্লাই' | ২৯ |
| ৬. | সৎসংগৰ সোঁৱৰণী | ৩৪ |
| ৭. | এহাতে তৰবাৰি আনহাতে লিখনী | ৩৭ |
| ৮. | নট-সূৰ্যৰ জীৱন-নাটৰ সামৰণি | ৪০ |
| ৯. | 'মনোদা'ৰ সজল স্মৃতিত | ৪২ |
| ১০. | অমূল্যৰ অমূল্য-স্মৃতি | ৪৪ |
| ১১. | নেতা-সাংবাদিক ঃ কৃতী সাহিত্যিক | ৪৬ |
| ১২. | হেম বৰুৱা ঃ আগৰ আৰু পাছৰ | ৫১ |
| ১৩. | আমাৰ মেথুচেলা ককা ফুকন | ৫৭ |
| ১৪. | মানৱিক পণ্ডিত সন্দিকৈ | ৬১ |
| | (ক) আনন্দৰামৰ পৰা কৃষ্ণকান্ত | ৬৯ |
| | (খ) তিনি 'ম'ৰ অক্সফোৰ্ড | ৭৪ |
| | (গ) বেলেগ ধৰণৰ বিলাত ফেৰত | ৭৫ |
| | (ঘ) পণ্ডিত, সাহিত্যিক, ৰসিক, দাৰ্শনিক ঃ উপসংহাৰ | ৭৮ |

● বন্দিত বৰেণ্য

| | | |
|---|---|---|
| ১. | শংকৰ অভিক্ষেপ | ৮৯ |
| ২. | গোহাঞি বৰুৱা ঃ তেওঁৰ জীৱনী সাহিত্য | ৯৩ |
| ৩. | বেণুধৰ শৰ্মালৈ শ্ৰদ্ধাঞ্জলি | ১০৮ |
| ৪. | জন্ম শতবাৰ্ষিকীৰ পৰ্বতীত অম্বিকাগিৰী | ১১৮ |
| ৫. | পণ্ডিতপ্ৰবৰ সন্দিকৈ ঃ মনীষা আৰু বৈশিষ্ট্য | ১২৩ |
| ৬. | আৰ্হিপুৰুষ সন্দিকৈ ঃ মহান একজেম্প্লাৰ | ১২৯ |

৭. অগ্ৰণী শিক্ষাবিদ আৰু অসম সাহিত্য সভাৰ অন্যতম প্ৰতিষ্ঠাপক শৰৎচন্দ্ৰ গোস্বামী ১৩০
৮. আধা শতিকাৰ বিস্মৃতিত বিলুপ্ত এগৰাকী কৃতী অসমীয়া ১৪০
৯. অতুল চন্দ্ৰ হাজৰিকা ঃ কৃতি আৰু কীৰ্তি ১৪৫
১০. লক্ষ্মীনাথ ফুকন ঃ সাহিত্য আৰু সংবাদ সেৱাৰ তিনিকুৰি পোন্ধৰ বছৰ ১৫২
১১. ডেকা ফুকন ঃ অনুৰক্তৰ দৃষ্টিৰে ১৭০
১২. অসমীয়া চুটি গল্পৰ লেখক আৰু পৰ্যবেক্ষক ত্ৰৈলোক্যনাথ গোস্বামী ১৭৩
১৩. যুগল দাস ঃ ব্যক্তিগত শ্ৰদ্ধাৰ্ঘ্য ১৭৫
১৪. ফুনু ককাইদেউ আৰু তছদ্দুক ভাই ১৭৭
১৫. বীৰেন্দ্ৰ কৃতি ১৭৯
১৬. লোকপ্ৰিয় বৰদলৈ ঃ ব্যক্তিত্ব আৰু নেতৃত্ব ১৮২
১৭. জাতীয় নেতৃত্ব আৰু হেমচন্দ্ৰ বৰুৱা ১৮৭
১৮. জ্ঞানগম্ভীৰ কৰ্মযোগী ঃ স্মৃতিপটৰ লোকনায়ক ১৯৪
১৯. অমৃতলোকগামী ললিত হাজৰিকা ঃ বন্ধুৰ স্মৃতিৰ শ্ৰদ্ধাৰ্ঘ্য ১৯৬
২০. এগৰাকী মহিয়সী আৰু জাতীয় কবয়িত্ৰী ১৯৮
২১. গান্ধীজী ঃ এটি অভিমত ২০০
২২. নেহৰুৰ আদৰ্শ ২০৩
প্ৰবন্ধাৱলীৰ আকাৰসমূহ ২০৬

● **অন্তৰ আৰু অন্তৰীক্ষ**

১. কন্‌ফে'ছন্‌ছ ২২৭
২. অসমীয়া সাহিত্য ঃ ঐতিহ্য আৰু আধুনিকতাৰ সমস্যা ২৪০
৩. তিনি দশকৰ অসমীয়া নিবন্ধ ২৫০
৪. সৃজনী সাহিত্যৰ অনুবাদৰ সমস্যা ২৬১
৫. প্ৰবন্ধ-নিবন্ধ-ৰচনা ২৬৭
৬. ভাৰতীয় সংহতি, সাহিত্য আৰু অনুবাদ ২৭০
৭. সৰ্বসাধাৰণ দৃষ্টিৰপৰা ভাষাতত্ত্ব ২৭২
৮. ছোভিয়েট য়ুনিয়ন আৰু ৰ'মাঁ ৰ'লাঁ ২৭৭
৯. এ. এ. মিল্‌নে'ৰ 'অন থাৰ্মমিটাৰ'লৈ ২৭৯
১০. কন্‌ৰাড্‌ ২৮৪
১১. ছিন্‌ক্লেয়াৰ লিৱিছ আৰু মাৰ্কিন সভ্যতা ২৮৭
১২. তিনিটা সম্পাদকীয় ঃ বিষয় ধৰ্ম ২৯২
১৩. অসমীয়া লেখিকাৰ গল্প ২৯৭

১৪. পৰিশিষ্ট ঃ

(ক) ঐতিহ্য আৰু আধুনিকতাৰ অপ্ৰকাশিত অংশ ৩০২

(খ) নাটক আৰু নাট্যকাৰ ৩০২

(গ) শুৱালকুছিৰ সাহিত্যমেলা ৩০৭

(ঘ) অসম সাহিত্য সভা সম্পৰ্কে কৰা প্ৰশ্নৰ উত্তৰ ৩০৯

(ঙ) ওপৰ মহলা আৰু অসমীয়া সাংবাদিকতাৰ ভিতৰ চ'ৰা ৩১২

(চ) ৰাছিয়া আৰু বলছেভিকবাদ ৩১৪

(ছ) টাইমছ্ অব..... আৰু ৰাধা চাংকাকতী ৩২০

৩২৩

● প্ৰসংগ ' সমালোচনা

(ক)

১. মহিম বৰাৰ 'কাঠনিবাৰী ঘাট'ৰ পাতনি ৩৩৭

২. এজন পটুৱৈৰ একাষাৰ ৩৪৮

(খ)

৩. পুথি পৰিচয় (১) ৩৫০

৪. পুথি পৰিচয় (২) ৩৫৩

৫. পুথি পৰিচয় (৩) ৩৫৭

৬. নতুন সোৱাদেৰে সুৱদি ৩৬২

৭. পুব মাণ্ডলিক নাট উৎসৱ '৮৬ ৩৬৪

(গ)

৮. লক্ষ্মীনাথ বেজবৰুৱা ৩৬৮

৯. বৃহৎ কলেৱৰৰ কালোত্তীৰ্ণ উপন্যাস সম্পৰ্কে আলোচনা ৩৭৪

১০. যুগধৰ্ম আৰু সাহিত্য চেতনা ৩৭৫

১১. সংস্কৃত সাহিত্য আৰু প্ৰাচ্যতত্ত্বমূলক গৱেষণা ৩৭৭

১২. কৃতী অসমীয়া শিল্পী ৩৮১

১৩. কুমুদ গোস্বামীৰ 'দুৱাৰ' ৩৮৩

১৪. অনাতাঁৰ নাটৰ কাহিনী ঃ অনাতাঁৰ নাট্যাৱলী ৩৮৪

১৫. চাৰি হেজাৰ বছৰৰ অসম ৩৮৬

১৬. নাটকত নৱধাৰা আৰু 'পুৰুষ' ৩৮৮

১৭. সাহিত্যাচাৰ্য্য হাজৰিকাৰ স্মৃতি-তৰ্পণত কামৰূপ নাট্য সমিতিৰ নাট্যাৰ্ঘ্য ৩৯১

১৮. প্ৰগতি শিল্পী সংঘৰ ৰসোত্তীৰ্ণ নাট 'সংলাপ' ৩৯৩

১৯. ৰবীন্দ্ৰ ভৱনত 'শৌভিক'ৰ থ্ৰিলাৰ নাটকৰ অভিযোজনা ৩৯৫

২০. অসমৰ ভ্ৰাম্যমান থিয়েটাৰৰ ভূমিকা ৩৯৭

২১. সময়োপযোগী সুলিখিত প্ৰকাশন ৩৯৯
২২. তথ্যগধুৰ নৃতাত্ত্বিক আলোচনা ৪০১
২৩. এলানি বাছকবনীয়া প্ৰবন্ধ ৪০৪
২৪. 'জয়প্ৰকাশ নাৰায়ণ' পুথিৰ বিষয়ে ৪০৫
২৫. এখন মূল্যৱান ৰাজনৈতিক দলিল ৪০৬
২৬. চেতনা-স্ৰোতী আঙ্গিকৰ বৈশিষ্ট্যপূৰ্ণ প্ৰকাশ ঃ ন-ধৰণৰ গল্প ৪১০
২৭. শীলভদ্ৰ ঃ মধুপুৰ বহুদূৰ ৪১৩

(ঘ)

২৮. এখন ঐতিহাসিক গ্ৰন্থ ঃ ইতিহাসৰ ৰচনাবিধি আৰু ক্ৰমবিকাশ ৪১৫

(ঙ)

২৯. দুখন ইংৰাজী কিতাপ ঃ এখন মাৰ্কিনী, ইখন ভাৰতীয় ৪১৮
৩০. আয়ুবৰ 'ফ্ৰেণ্ডছ, নট্ মাষ্টাৰ্ছ' ঃ ৰাজনৈতিক আত্মজীৱনী নে আত্মপ্ৰচাৰ? ৪২১
৩১. সল্‌ঝেনিট্‌সিনৰ 'গুলাগ' ৪২৬
৩২. শৌভিকৰ সফল অভিযোজনা 'এন্টিগনি' ৪৩০

(চ)

৩৩. চিত্ৰ-পুৰস্কাৰ নিৰ্বাচনৰ সমস্যা ৪৩২
৩৪. হালধীয়া চৰায়ে বাওধান খায় ৪৩৩
৩৫. এখন উল্লেখযোগ্য তথ্যচিত্ৰ ৪৩৫

● সৃষ্টি ত্ৰিবিধা

গল্প ঃ

১. নোমল ৪৪৫
২. বিদ্ৰোহী ৪৪৮
৩. ছবি ৪৯৪
৪. অভিশাপ ৪৫২
৫. বীণা ৪৫৬
৬. সপোন-সুধা ৪৫৮
৭. জয় নে পৰাজয় ৪৬১
৮. জীৱনৰ ঋণ ৪৬৪
৯. নিয়মৰ বান্ধ আৰু প্ৰাণৰ টান ৪৬৯
১০. অপ্ৰকাশৰ বেদনা ৪৭২
১১. পাপ নে ভুল ৪৮২
১২. তাই আৰু মই ৪৯১

কবিতা ঃ
১. হিয়াৰ বিয়া ৫০৫
২. ব্যৰ্থ সাধনা ৫০৬
৩. অভিযান ৫০৭
৪. অসম্ভৱ ৫০৯
৫. আহিবা আহিবা লাহৰি ৫১০
একাঙ্কিকা ঃ
১. জন্মভূমিতকৈও গৰীয়সী ৫১৩